প্ৰেছ বিজ্ঞপ্তি

২৪ অক্টোবৰ, ২০১৬

## অন্তঃস্থাপন আখৰ ‘L’ সহ সংখ্যা সূচীত ক্ৰমবৰ্দ্ধিত আকাৰৰ সৈতে আৰু মুদ্ৰাংকন চাপ অবিহনে ২০ টকীয়া বেংকনোট জাৰি

ভাৰতীয় ৰিজাৰ্ভ বেংকে শীঘ্ৰে, উভয় সংখ্যা সূচীত অন্তঃস্থাপন আখৰ ‘L’ৰ সৈতে, আৰবিআইৰ গৱৰ্ণৰ ড০ ৰঘুৰাম জি ৰাজনৰ স্বাক্ষৰ সম্বলিত আৰু বেংকনোটৰ আনটো পিঠিত ছপাবৰ্ষ ২০১৬ ছপা কৰা, মহাত্মা গান্ধী শৃংখলা ২০০৫ত ২০ টকা মুদ্ৰাবৰ্গৰ বেংক নোট জাৰি কৰিব।

জাৰি কৰিবলগীয়া এই বেংকনোটবোৰৰ চানেকি আৰু সুৰক্ষা বৈশিষ্ট্যবোৰ সংখ্যাসূচীত ক্ৰমবৰ্দ্ধিত আকাৰৰ সংখ্যাৰ সৈতে মুদ্ৰাংকন চাপ অবিহনে, সুপ্ত প্ৰতিকৃতি অবিহনে আৰু চিনাক্তকৰণ চিহ্ন অবিহনে অলপতে জাৰি কৰা মহাত্মা গান্ধী শৃংখলা,২০০৫ৰ ২০ টকীয়া নোটৰ সদৃশ হব। নোটবোৰ সন্মুখ পিঠিৰ ৰং মুদ্ৰাংকন চাপ আঁতৰোৱা হেতুকে পাতলীয়া হব। (সন্দৰ্ভঃ প্ৰেছ বিজ্ঞপ্তি নং ২০১৬-১৭/৬৭৮ দিনাংক ১৫ ছেপ্টেম্বৰ,২০১৬)।

ৰিজাৰ্ভ বেংকে ইয়াৰ আগতে জাৰি কৰা ২০ টকা মুদ্ৰাবৰ্গৰ সকলো বেংকনোট বৈধ মুদ্ৰা হৈ থাকিব।

**অজিত প্ৰসাদ**
সহকাৰী উপদেষ্টা

**প্ৰেছ বিজ্ঞপ্তি- ২০১৬-১৭/১০০৪**